**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-JAN-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

------------------------------

১। উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ সূৰ্যকান্তৰ আজি উত্তৰ গুৱাহাটীৰ ৰংমহলত সংহত ন্যায়িক প্ৰকল্পৰ আধাৰশিলা স্থাপনৰ কাৰ্যসূচী।

২। কৰ্মক্ষেত্ৰত দুৰ্নীতিৰ আশ্ৰয় নল'বলৈ ৰাজ্যত সদ্য নিযুক্তিপ্ৰাপ্ত প্ৰাৰ্থীসকলৰ প্ৰতি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ আহ্বান।

৩। অসমত আভ্যন্তৰীণ জলপথত নৌ চলাচল বৃদ্ধিৰ উদ্দেশ্যে ব্ৰহ্মপুত্ৰক কেন্দ্ৰ কৰি চাৰিটা নতুন আলোকস্তম্ভ নিৰ্মাণৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ সিদ্ধান্ত।

৪। চিৰাং জিলাৰ বিজনীত অনুষ্ঠিত বড়ো সাহিত্য সভাৰ ৬৫ সংখ্যক কেন্দ্ৰীয় বাৰ্ষিক অধিৱেশনৰ আজি সামৰণি অনুষ্ঠান। ***আৰু***

৫। উত্তৰ প্ৰদেশত অনুষ্ঠিত এলীট ৰাষ্ট্ৰীয় চেম্পিয়নশ্বিপত লাভলীনা বৰগোহাঁইৰ স্বৰ্ণ পদক অৰ্জন।

oooooo

উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ সূৰ্যকান্তে আজি উত্তৰ গুৱাহাটীৰ ৰংমহলত আজি সংহত ন্যায়িক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। এই অনুষ্ঠানত আইন বিভাগৰ স্বতন্ত্ৰ ৰাজ্য মন্ত্ৰী অৰ্জুন ৰাম মেঘৱাল, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ উজ্জ্বল ভূঞা, সন্দীপ মেহতা, এন কৌটিশ্বৰ সিং, বিজয় বিষ্ণয় আৰু গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰ উপস্থিত থকাৰ কথা। অনুষ্ঠানত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ আন ২৪ গৰাকী ন্যায়াধীশো উপস্থিত থাকিব। এই অনুষ্ঠান সন্দৰ্ভত এয়া আমাৰ কামৰূপৰ সংবাদদাতা কৌশিত দাস-

**ভইচকাষ্ট (কৌশিক দাস)**

মুখ্য ন্যায়াধীশগৰাকী ইতিমধ্যে গুৱাহাটীত উপস্থিত হৈছে। ৰাজ্যৰ আইন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে কালি বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমানবন্দৰত মুখ্য ন্যায়াধীশ সূৰ্যকান্তক আদৰণি জনায়। ইয়াৰ পাছতে মুখ্য ন্যায়াধীশগৰাকীৰ সন্মানাৰ্থে সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয়। সাংস্কৃতিক অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ লগতে উচ্চতম ন্যায়ালয়ৰ কেইবাগৰাকীও ন্যায়াধীশ আৰু গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ উপস্থিত থাকে।

উল্লেখযোগ্য যে ৰাজ্যৰ অধিবক্তা সমাজে গুৱাহাটী উচ্চ ন্যায়ালয়ক উত্তৰ গুৱাহাটীলৈ স্থানান্তৰৰ বিৰোধিতা কৰি আহিছে। এই সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ উকীল সন্থাই গণতান্ত্ৰিক প্ৰতিবাদ কৰি আহিছে।

oooooo

ৰাজ্যত সদ্য নিযুক্তিপ্ৰাপ্ত প্ৰাৰ্থীসকলক কোনো কাৰণতে দুৰ্নীতিৰ আশ্ৰয় নল'বলৈ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আহ্বান জনাইছে। সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত কালি অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা- এ.ডি.আৰ.ইত উত্তীৰ্ণ তৃতীয় বৰ্গৰ ৬ হাজাৰ ৩৪৭ গৰাকী প্ৰাৰ্থীৰ মাজত নিযুক্তি পত্ৰ বিতৰণ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে এই আহ্বান জনায়। ডঃ শৰ্মাই কয়, যে ৰাজ্য চৰকাৰে সম্পূৰ্ণ স্বচ্ছ আৰু নিকা প্ৰক্ৰিয়াৰে নিযুক্তি সম্পন্ন কৰিছে। নিযুক্তি লাভ কৰা প্ৰাৰ্থীসকলক তেওঁলোকৰ কৰ্ম জীৱনত এই নিষ্ঠা আৰু স্বচ্ছতা বৰ্তাই ৰাখিবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। তেওঁ লগতে ফেব্ৰুৱাৰীৰ পৰা চাকৰিৰ বদলিৰ বাবে স্বাগত সতীৰ্থ পোৰ্টেল মুকলি কৰা হ'ব বুলি জানিবলৈ দিয়ে।

**-বাইট-**

মুখ্যমন্ত্ৰীয়ে ১০ ফেব্ৰুৱাৰীৰ আগতে সকলো নিযুক্তি সম্পন্ন হ'ব বুলিও কালি ঘোষণা কৰে। তেওঁ কয়, যে দেশৰ কেইবাখনো ৰাজ্যই এই ধৰণৰ নিযুক্তি প্ৰক্ৰিয়া অনুসৰণ কৰিছে। ৰাজ্যত নতুনকৈ নিযুক্তি লাভ কৰা প্ৰাৰ্থীৰ সংখ্যাই ১ লাখ ৫৬ হাজাৰ অতিক্ৰম কৰা বুলি তেওঁ মন্তব্য কৰে।

কাইলৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয় প্ৰেক্ষাগৃহত আয়োজিত এটা অনুষ্ঠানত এ ডি আৰ ইত উত্তীৰ্ণ ২৯২ গৰাকী চাহ জনগোষ্ঠীৰ প্ৰাৰ্থীৰ মাজত নিযুক্তি পত্ৰ বিতৰণ কৰা হ'ব।

০০০০০০

অসমত অভ্যন্তৰীণ জলপথত নৌ চলাচল বৃদ্ধিৰ উদ্দেশ্যে ব্ৰহ্মপুত্ৰক কেন্দ্ৰ কৰি বগীবিল, শিলঘাট, পাণ্ডু আৰু বিশ্বনাথ ঘাটত চাৰিটা নতুন আলোকস্তম্ভ নিৰ্মাণ কৰা হ'ব বুলি কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে প্ৰকাশ কৰিছে। বিশাখাপট্টনমত অনুষ্ঠিত ভাৰতীয় আলোকস্তম্ভ মহোৎসৱত অংশগ্ৰহণ কৰি কালি মন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী নেতৃত্বত আলোকস্তম্ভসমূহ অকল উপকূলতে নহয়, বৰং বিভিন্ন সম্প্ৰদায়ৰ মনতো উজ্বল হৈ থাকিব। তেওঁ কয়, যে আলোকস্তম্ভ পৰ্যটনো স্থানীয় পৰ্যায়ত জীৱিকাৰ সৃষ্টি কৰিব, সামুদ্ৰিক সচেতনতা বৃদ্ধি কৰিব আৰু উপকূল ভাগত বাস কৰা তেওঁলোকৰ সামুদ্ৰিক ইতিহাসৰ বিষয়ত সজাগ কৰিব। শ্ৰীসোণোৱালে কয়, যে ৰাষ্ট্ৰীয় সামুদ্ৰিক ঐতিহ্য চৌহদত ২৬৬ কোটি টকা বিনিয়োগেৰে নিৰ্মাণ কৰিবলৈ লোৱা ৭৭ মিটাৰ উচ্চতাৰ আলোকস্তম্ভ সংগ্ৰহালয়টো বিশ্বৰ অন্যতম বৃহৎ সামুদ্ৰিক সংগ্ৰহালয় হ'ব।

০০০০০০

শাসনাধিষ্ঠিত বিজেপি আৰু ইয়াৰ মিত্ৰ দলসমূহে অহা এপ্ৰিলত খালী হ'বলগীয়া অসমৰ তিনিখন ৰাজ্যসভা আসনৰ আটাইকেইখনতে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি এই কথা ঘোষণা কৰে। তেওঁ লগতে খালী হ'বলগীয়া তিনিখন আসনৰ ভিতৰত দুখনত জয় নিশ্চিত বুলি আৰু তৃতীয়খন আসনো বিজেপি আৰু মিত্ৰদলে লাভ কৰাৰ সম্ভাৱনা আছে বুলি দাবী কৰে। তেওঁ কয়, যে বিজেপি, এজিপি আৰু মিত্ৰদলসমূহে এই তিনিখন আসনৰ বাবে প্ৰাৰ্থী মনোনীত কৰিব। উল্লেখযোগ্য যে বিজেপি সাংসদ ভূৱনেশ্বৰ কলিতা, ৰামেশ্বৰ তেলী আৰু নিৰ্দলীয় সাংসদ অজিত ভূঞাৰ কাৰ্যকাল অহা এপ্ৰিলত অন্ত পৰিব। নিৰ্বাচন আয়োগে এই আসনকেইখনৰ বাবে শীঘ্ৰেই নিৰ্বাচনী সূচী ঘোষণা কৰাৰ সম্ভাৱনা আছে।

০০০০০০

চিৰাং জিলাৰ বিজনীৰ বৰলাউগাঁৱৰ থেংফাখ্ৰী পথাৰত অনুষ্ঠিত বড়ো সাহিত্য সভাৰ ৬৫ সংখ্যক কেন্দ্ৰীয় বাৰ্ষিক অধিৱেশনৰ আজি সামৰণি পৰিব। আজিৰ অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশ ল'ব। অধিৱেশন উপলক্ষে কিছু সময় পাছতেই বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হ'ব। উল্লেখযোগ্য যে, এই অধিৱেশনলৈ চুবুৰীয়া ৰাষ্ট্ৰ নেপাল, ভুটানৰ উপৰি দেশৰ বিভিন্ন প্ৰান্তৰ লোকৰ সমাগম হৈছে। আজিও অধিৱেশনথলীত বহু লোকৰ সমাগম হ'ব বুলি অনুমান কৰা হৈছে। অধিৱেশনৰ আজিৰ কাৰ্যসূচী সন্দৰ্ভত এয়া আমাৰ চিৰাং জিলাৰ সংবাদদাতা কুঞ্জমোহন ৰায়–

**-ৱাইট-**

কালি অধিৱেশনৰ দ্বিতীয় দিনাৰ কাৰ্যসূচীত বড়ো সাহিত্য সভাৰ সভাপতি ড° সুৰথ নাৰ্জাৰীৰ অধ্যক্ষতাত স্মৃতিগ্ৰন্থ উন্মোচন, বঁটা প্ৰদান অনুষ্ঠানৰ লগতে সাহিত্য একাডেমী বঁটা প্ৰাপকক সম্বৰ্ধনা আৰু আলোচনা চক্ৰৰ আয়োজন কৰা হয়। অনুষ্ঠানত বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অধ্যাপক ইন্দিৰা বড়োৱে আদৰণি সমিতিৰ ছানজাংৰা শীৰ্ষক স্মৃতিগ্ৰন্থখন উন্মোচন কৰে। এই অনুষ্ঠানতে বড়ো সাহিত্য সভাৰ ১২ খনকৈ নিৰ্বাচিত গ্ৰন্থৰ লগতে আন কেইবাখনো গ্ৰন্থ উন্মোচন কৰা হয় আৰু ১১টা বিশেষ বঁটা প্ৰদান কৰা হয়। অনুষ্ঠানত অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে। ইয়াৰ পাছতে লেখক তথা মন্ত্ৰী উৰ্খাও গৌড়া ব্ৰহ্মাই **পৰিচয় আৰু প্ৰতিৰোধ কণ্ঠঃ সম-সাময়িক বড়ো সাহিত্যত প্ৰৱণতা আৰু পৰিৱৰ্তন** শীৰ্ষক আলোচনীখন মুকলি কৰে। থেংফাখ্ৰী পথাৰত যোৱা নিশা অনুষ্ঠিত দ্বিতীয়খন প্ৰতিনিধি সভাত অসম জনজাতিসকলৰ ভূমিৰ অধিকাৰ, বড়ো মাধ্যমৰ বিদ্যালয়ৰ সমস্যাকে ধৰি কেইবাটাও বিষয়ত প্ৰস্তাৱ গ্ৰহণ কৰা হয়। যোৱানিশা অনুষ্ঠিত এই সভাত ৩ বছৰীয়া কাৰ্যকালৰ বাবে বিষয় বাছনি কৰা হয় যদিও সভাপতি পদত এতিয়ালৈকে কাকো বাঁছনি কৰা হোৱা নাই। সাধাৰণ সম্পাদক পদক পুনৰ পৰা নীলকান্ত গয়াৰী নিৰ্বাচিত হৈছে বুলি আমাৰ সংবাদদাতাই প্ৰকাশ কৰিছে।

000000

বিশ্ব ঐতিহ্যক্ষেত্ৰ চৰাইদেউ মৈদাম ক্ষেত্ৰত পৰ্যটন বিভাগৰ উদ্যোগত আৰু চৰাইদেউবাসীৰ সহযোগত শুকুৰবাৰৰ পৰা তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত চৰাইদেউ মহোৎসৱৰ আজি সামৰণি পৰিব। এই মহোৎসৱ উপলক্ষে অঞ্চলটোত বহু দেশী-বিদেশী পৰ্যটকৰ সমাগম হৈছে। কালি দ্বিতীয় দিনা প্ৰতিকী ৰূপত স্বৰ্গদেউৰ শোভাযাত্ৰা আৰু ৰাজসভা অনুষ্ঠিত হয়। অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ সহযোগত আয়োজিত এই মহোৎসৱৰ কালি শোভাযাত্ৰাই সকলোকে আপ্লুত কৰে। সহস্ৰাধিক লোকৰ উপস্থিতিত চৰাইদেউত প্ৰতিকী ৰাজসভা অনুষ্ঠিত হয়। টাই-আহোমসকলৰ পৰম্পৰাগত ৰীতি-নীতিৰে স্বৰ্গদেউক আদৰণি জনোৱা হয়।

উল্লেখযোগ্য যে, চৰাইদেৱে বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ মৰ্যাদা লাভ কৰাৰ পাছত এই মহোৎসৱে অঞ্চলটোৰ পৰ্যটন আৰু সংস্কৃতিৰ ক্ষেত্ৰলৈ নতুন সম্ভাৱনা কঢ়িয়াই আনিছে। তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজিত চৰাইদেউ মহোৎসৱ এইবাৰ এখন বৃহৎ আকাৰৰ কেনভাছে আকৰ্ষণীয় কৰি তুলিছে। কেনভাছখনত চীনৰ য়ুন্নান প্ৰদেশৰ মাউলুঙৰ পৰা সুদূৰ পাটকাই পৰ্বত অতিক্ৰমী চাউলুং চ্যুকাফাৰ অসম আগমণৰ ছবি শিল্পীৰ তুলিকাত প্ৰাণ পাই উঠিছে।

000000

মাঘ বিহুৰ উৰুকালৈ মাজত এটা দিন বাকী থকা অৱস্থাত ৰাজ্যৰ বিভিন্ন প্ৰান্তত উৰুকাৰ বাবে ব্যাপক প্ৰস্তুতি চলিছে। গুৱাহাটী মহানগৰীকে ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ বজাৰসমূহ বিহুৰ সামগ্ৰীৰে ভৰি পৰিছে। অসমীয়াৰ

হেঁপাহৰ ভোগালী বিহুক আদৰাৰ বাবে ব্যাপক প্ৰস্তুতি চলি আছে। ঠায়ে ঠায়ে বিভিন্ন আৰ্হিৰে আটকধুনীয়া ভেলাঘৰ নিৰ্মাণ কৰাৰ লগতে ভোগালী মেলাৰো আয়োজন কৰা হৈছে। গ্ৰামাঞ্চলসমূহত জীয়ৰী-বোৱাৰীয়ে ভোগালীত অতিথি আপ্যায়ণৰ বাবে পিঠা-পনা, জা-জলপান প্ৰস্তুত কৰিছে। চৰাইদেউ জিলাৰ সোণাৰীত কালিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে অসমী ভোগালী মেলা অনুষ্ঠিত হৈছে। অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযান চৰাইদেউ জিলা শাখাৰ উদ্যোগত অনুষ্ঠিত এই ভোগালী মেলাত ২৮ টা আত্মসহায়ক  গোটে অংশগ্ৰহণ কৰিছে।

ডিব্ৰুগড় জিলাৰ নাহৰকটিয়া সমষ্টিৰ নামৰূপ গাওঁ পঞ্চায়তৰ আত্মসহায়ক গোটসমূহৰ সহযোগত কালিৰে পৰা ৩ দিনীয়া কাৰ্যসূচীৰে অসমী ভোগালী মেলা অনুষ্ঠিত হৈছে।

অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযান কামৰূপ মহানগৰ জিলাৰ উদ্যোগত উজানবজাৰৰ সতী ৰাধিকা শান্তি উদ্যানতো অসমী ভোগালী মেলা অনুষ্ঠিত হৈছে। আজি সামৰণি পৰিবলগীয়া এই মেলাত মহিলাসকলে প্ৰস্তুত কৰা লাৰু, পিঠা, জহা চাউল, বৰা চাউলৰ লগতে বিভিন্ন থলুৱা খাদ্য উপলব্ধ হৈছে। গুৱাহাটী মহানগৰীৰ দীঘলীপুখুৰী পাৰৰ সমীপৰ লক্ষ্মীনাথ বৰা ক্ষেত্ৰ, খানাপাৰা আদি স্থানতো ব্যক্তিগত অনুষ্ঠান-প্ৰতিষ্ঠানৰ উদ্যোগত ভোগালী মেলা অনুষ্ঠিত হৈছে।

ভোগালী বিহুৰ পূৰ্বে দৰং জিলাৰ মঙলদৈৰ জলজলি প্ৰাথমিক  বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক বিক্ৰেতা ৰূপত দেখিবলৈ পোৱা গৈছে। বজাৰ সম্পৰ্কে ব্যৱহাৰিক জ্ঞান প্ৰদানৰ লক্ষ্যৰে ভোগালীৰ খাদ্য সম্ভাৰ লৈ ছাত্ৰ-ছাত্ৰীসকলে বিপনী দিয়ে।

ভোগালী বিহুৰ প্ৰাকক্ষণত মাজুলীত অসমী ভোগালী মেলা ২০২৬ অনুষ্ঠিত হৈছে। টুনী নদীৰ পাৰত অনুষ্ঠিত এই মেলাৰ আজি সামৰণি পৰিব। ৰাজ্যৰ আন আন প্ৰান্ততো ভোগালী মেলা অনুষ্ঠিত হৈছে।

০০০০০০

শ্ৰম বিভাগে অন্য ৰাজ্যত কাম কৰিবলৈ যোৱা অসমৰ শ্ৰমিকসকলৰ সুৰক্ষাৰ অৰ্থে অচিৰেই এটা প'ৰ্টেল মুকলি কৰিব। এই প'ৰ্টেলত বহিঃৰাজ্যলৈ যোৱা শ্ৰমিকসকলৰ সবিশেষ অন্তৰ্ভুক্ত কৰা হ'ব। শ্ৰম বিভাগৰ সূত্ৰই প্ৰকাশ কৰা মতে বহিঃৰাজ্যলৈ যোৱা শ্ৰমিকসকলে সাধাৰণতে কোনো কৰ্তৃপক্ষক অৱগত নকৰে আৰু বিপদত পৰিলেহে তেনে শ্ৰমিক পৰিয়ালবৰ্গই চৰকাৰী সাহাৰ্য্য বিচাৰে। এইবাবেই চৰকাৰৰ হাতত বাহিৰলৈ কাম কৰিবলৈ যোৱা শ্ৰমিকসকলৰ সঠিক সংখ্যা নাথাকে। এই কথা বিবেচনা কৰিয়েই শ্ৰম বিভাগে বহিঃৰাজ্যলৈ কাম কৰিবলৈ যোৱা শ্ৰমিকসকলৰ বাবে প'ৰ্টেল মুকলি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই প'ৰ্টেলত শ্ৰমিকসকলে বৰ্তমান থকা ঠাই, কৰ্মসংস্থাপন প্ৰদানকাৰী প্ৰতিষ্ঠানৰ সবিশেষ আদি অন্তৰ্ভুক্ত কৰা হ'ব। ইয়াৰ ফলত চৰকাৰে বিপদৰ সময়ত শ্ৰমিকসকললৈ সহায় আগবঢ়াবলৈ সমৰ্থ হ'ব।

০০০০০০

ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল আজি গুজৰাটৰ বডোডৰাত অনুষ্ঠিত হ'ব। খেলখন দিনৰ ডেৰ বজাত আৰম্ভ হ'ব। ৰোহিত শৰ্মা আৰু বিৰাট কোহলিক শৃংখলাটোৰ বাবে দলত অন্তৰ্ভুক্ত কৰা হৈছে। ঋষভ পণ্টক আঘাতৰ বাবে শৃংখলাৰ পৰা বাদ দিয়া হৈছে। ভাৰতীয় দলৰ মূল লক্ষ্য আসন্ন টি-২০ বিশ্বকাপ প্ৰতিযোগীতা যদিও ৰোহিত আৰু বিৰাটৰ উপস্থিতিয়ে শৃংখলাত আকৰ্ষণ বৃদ্ধি কৰিছে। জ্যেষ্ঠ ক্ৰিকেটাৰ দুগৰাকীয়ে বিজয় হাজাৰে ট্ৰফীত অংশ লৈ প্ৰস্তুতি চলাইছে। টি-২০ বিশ্বকাপৰ দলৰ পৰা বাদ পৰা এদিনীয়া দলৰ অধিনায়ক শুভমন গিলৰ প্ৰদৰ্শনো শৃংখলাটোত লক্ষণীয় হ'ব। গিল আঘাতৰ সমস্যাৰ

বাবে যোৱা বছৰ দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে শৃংখলাৰ পৰা গৰিষ্ঠ সময় বাহিৰত থাকিবলগীয়া হৈছিল। গিলৰ প্ৰত্যাৱৰ্তনৰ ফলত যশস্বী জয়ছোৱালক টপ অৰ্ডাৰৰ পৰা বাহিৰত ৰখাৰ সম্ভাৱনা আছে।

শৃংখলাৰ দ্বিতীয়খন খেল অহা ১৪ জানুৱাৰীত ৰাজকোটৰ নিৰঞ্জন শ্বাহ ষ্টেডিয়ামত আৰু তৃতীয়খন খেল ১৮ জানুৱাৰীত ইন্দোৰৰ হোলকাৰ ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

০০০০০০

উত্তৰ গুৱাহাটীত সংহত ন্যায়িক চৌহদৰ আধাৰশিলা স্থাপন, সৰুসজাইত কালি ছহেজাৰ ৩৪৭ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান, ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বিৰুদ্ধে প্ৰস্তাৱ বড়ো সাহিত্য সভাত, শুৱালকুছিত মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতাৰ চেক বিতৰণ আদি বাতৰিসমূহ আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক কাকতসমূহৰ প্ৰথম পৃষ্ঠাত প্ৰকাশ পাইছে। বৰ্তমান ৰাজ্য চৰকাৰৰ দিনত উপযুক্ত প্ৰাৰ্থীক নিকা নিযুক্তি প্ৰদান কৰা হৈছে বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ দাবীৰে **অসমীয়া প্ৰতিদিন** কাকতে বাতৰি প্ৰকাশ কৰিছে। ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ মুৰব্বী মোহন ভাগৱতে জাতি-বৰ্ণ ভাষা বিভিন্ন হ'লেও সমগ্ৰ হিন্দু সমাজ এখনেই বুলি মন্তব্য কৰে। এই বাতৰি **দ্যা চেণ্টিনেল** কাকতৰ। দেশত মাদক দ্ৰব্য প্ৰতিৰোধ কৰিবলৈ ৩ বছৰীয়া ৰূপৰেখা প্ৰণয়ন কৰিবলৈ সংশ্লিষ্ট বিভাগসমূহলৈ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে নিৰ্দেশ দিছে। এই বাতৰি **দি আছাম ট্ৰিবিউন** কাকতৰ। গুৱাহাটীৰ ডনবস্ক' বিশ্ববিদ্যালয়ৰ শিক্ষক-শিক্ষাৰ্থীয়ে মিলি উত্তৰ-পূবৰ প্ৰথমটো কৃত্ৰিম উপগ্ৰহ **লাচিত-১** সাজু কৰাৰ এটা বাতৰি **দৈনিক জনমভূমি** ককাতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। সমাগত ভোগালী বিহুক কেন্দ্ৰ কৰি বৰ্হিৰাজ্যৰ মাছেৰে অসম ভৰি পৰাৰ এটা বাতৰি **অগ্ৰদূত** কাকতে প্ৰকাশ কৰিছে। ব্ৰহ্মপুত্ৰক কেন্দ্ৰ কৰি ৰাজ্যত শীঘ্ৰেই চাৰিটা নতুন আলোক স্তম্ভ নিৰ্মাণ কৰা হ'ব বুলি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ মন্তব্যৰে **অসমীয়া খবৰ** কাকতে বাতৰি প্ৰকাশ কৰিছে। চূড়ান্ত ভোটাৰ তালিকাৰ পৰা লক্ষাধিক অস্তিত্বহীন ভোটাৰৰ নাম কৰ্তন কৰা হ'ব বুলি **দৈনিক অসম** কাকতে বাতৰি প্ৰকাশ কৰিছে। **নিয়মীয়া বাৰ্তা** কাকতে খানাপাৰাত ভোগালী মেলা অনুষ্ঠিত হোৱাৰ এটা বাতৰি প্ৰকাশ কৰিছে। ভুল চিকিৎসা প্ৰসূতিৰ মৃত্যু হোৱাক কেন্দ্ৰ কৰি তিনিচুকীয়াৰ আদিত্য হাস্পতাল প্ৰশাসনে ছীল কৰি দিয়াৰ এটা বাতৰি **আমাৰ অসম** কাকতে প্ৰকাশ কৰিছে।

০০০০০০

অসম বিধানসভাৰ ৰাজহুৱা হিচাপ পৰীক্ষণ কমিটীৰ এটা চাৰিজনীয়া দলে কালি মাজুলীত ৰূপায়িত চৰকাৰী আঁচনিসমূহৰ কাম-কাজৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। সমিতিৰ অধ্যক্ষ, বিধায়ক নুৰুল হুদাৰ নেতৃত্বৰ এই দলটোত বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতা, ভৰেন্দ্ৰ নাথ ভৰালী আৰু আব্দুৰ ৰছিদ মণ্ডলো আছিল। এই ভ্ৰমণ কালত দলটোৱে মাজুলীৰ জিলা সংহত কাৰ্যালয়, শ্ৰীশ্ৰীআউনীআটি সত্ৰ তথা সমীপৰ তাৰকা গৃহ আৰু বিজ্ঞান কেন্দ্ৰ পৰিদৰ্শন কৰে। তেওঁলোকে দৰিয়াৰ কেঁচু সাৰ প্ৰকল্পও পৰিদৰ্শন কৰে। ইয়াৰ পাছতে মাজুলী জিলা আয়ুক্ত কাৰ্যালয়ত বিধায়ক কেইগৰাকীয়ে এখন গুৰুত্বপূৰ্ণ বৈঠকত অংশ লয়।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলী পৰাৰ আৰু পাছলৈ বতৰ আংশিকভাৱে ডাৱৰীয়া হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা

সৰ্বোচ্চ ২৬ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে বতৰ শুকান হোৱাৰ আৰু অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ কেতবোৰ ঠাইত কুঁৱলী পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**